# জাননী

তাৰিখ ঃ ২৮-০৪-২০১৮

ইয়াৰ দ্বাৰা এজবেকৰ অধীনৰ যিবিলাক বিদ্যালয়ে গুৱাহাটীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ পৰা প্ৰশ্নকাকত সংগ্ৰহ কৰে তেখেতসকলক জনাব বিচাৰোঁ যে, সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞান বিষয়ৰ মাহভিত্তিক পাঠ্যক্ৰমত এটা অনিচ্ছাকৃত ভুল হৈ গ'ল। **'উত্তৰ-পূব ভাৰতৰ** ভূগোল' নামৰ পাঠটি মাহভিত্তিক পাঠ্যক্ৰমত উল্লেখ নাই যদিও ছয়মাহিলি পৰীক্ষাৰ প্ৰয়োজনীয় পাঠ্যক্ৰমত পাঠটো অন্তৰ্ভুক্ত হৈ আছে। সেয়েহে উক্ত পাঠটো মে' মাহৰ মাহভিত্তিক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হ'ব আৰু উক্ত পাঠটোৰ প্ৰশ্ন ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকতত সন্নিৱিষ্ট কৰা হ'ব।

ষষ্ঠ শ্ৰেণীৰ 'আপোন দেশৰ কথা' (অসমৰ ইতিহাস) বিষয়ক পাঠ্যক্ৰমত ছয়মাহিলি পৰীক্ষালৈকে পাঠ্যক্ৰম ঠিকেই আছে। কিন্তু বছৰেকীয়া পৰীক্ষাত 'আতন বুঢ়াগোহাঁই' নামৰ পাঠটো ভুলতে অন্তৰ্ভুক্ত হৈ আছে। সেই পাঠটোৰ সলনি 'শৰাইঘাটৰ যুদ্ধ আৰু লাচিত বৰফুকন' পাঠটোৰ প্ৰশ্ন বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকতত সন্নিৱিষ্ট কৰা হ'ব।

সোণালী গগৈ

(সোণালী গগৈ)
মুৰব্বী শিক্ষয়িত্ৰী
সমাজ বিজ্ঞান বিভাগ
অসম জাতীয় বিদ্যালয়